জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪/২০২০

# কোকৰাঝাৰত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হ’বলগীয়া সভাৰ প্ৰস্তুতিৰ বুজ ল’লে মুখ্যমন্ত্ৰী সোণোৱালে

**প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰাৰ বাবে এই সভাৰ আয়োজন কৰা হৈছে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** দীৰ্ঘদিনীয়া বড়ো সংগ্ৰামৰ পৰিণতিত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ সফলতা উদ্‌যাপন কৰিবলৈ অহা ৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত হ’বলগীয়া সভাৰ প্ৰস্তুতি সম্পৰ্কে আজি প্ৰত্যক্ষ ভাৱে বুজ ল’লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। সভাস্থলীত উপস্থিত হৈ মুখ্যমন্ত্ৰী সোণোৱালে নিৰ্মীয়মান মঞ্চৰ লগতে অতিথি অভ্যৰ্থনা আৰু সভাত অংশ গ্ৰহণ কাৰী সকলৰ সুবিধাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ তদাৰক কৰে। মুখ্যমন্ত্ৰী সোণোৱালে জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ লগতে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া সকলৰ সৈতেও এই সভা সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ সম্পৰ্কত মত-বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো শান্তি চুক্তিয়ে বিটিএডিত স্থায়ী শান্তিৰ বাট মুকলি কৰিছে আৰু ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিবলৈ এই সভাৰ আয়োজন কৰা হৈছে। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি সদা দৰদী এই গৰাকী প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ অঞ্চলটোত শান্তি স্থাপন কৰি তাৰ মাধ্যমেদি বিকাশৰ নতুন বাট ৰচনা কৰাৰ বাবে দৃষ্টান্তমূলক পদক্ষেপ লৈছে। অসমবাসী প্ৰধানন্ত্ৰী গৰাকীৰ ওচৰত কৃতজ্ঞ আৰু অহা ৭ ফেব্ৰুৱাৰীত বড়ো জনগোষ্ঠীৰ লগতে ৰাজ্যখনৰ সকলো প্ৰান্তৰ পৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে এই সভাত অংশ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী গৰাকীক ধন্যবাদ জনাব। সভাত অংশগ্ৰহণকাৰী সকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেই দিশত পৰ্যাপ্ত গুৰুত্ব দিয়াৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে জোৰ দিয়ে। ৭ ফেব্ৰুৱাৰীৰ এই সভাখন সফলতাৰে অনুষ্ঠিত কৰাৰ সম্পৰ্কত বিভিন্ন দিশৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সভা স্থলীতে অসম চৰকাৰৰ বিত্ত, স্বাস্থ্য, শিক্ষা আদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, অসম চৰকাৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী পীয়ুষ হাজৰিকা, আবছুৰ সভাপতি প্ৰমোদ বড়ো, মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধান তথা অসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়া-বৰ্গৰ সৈতেও আলোচনা কৰে।

বীঃগঃ
৫/০২/২০২০